Gifting of Bodhi sapling to ROK(Assamese Translation)

আৰ ও কে লৈ বোধী বৃক্ষৰ পুলি উপহাৰ ।

মাৰ্চ ১৯,২০১৪

আৰ ও কে ৰ ৰাষ্ট্ৰপতি পাৰ্ক গেওন–হয়েৰ ২০১৪ চনৰ জানুৱাৰী মাহত কৰা ভাৰত ভ্ৰমন কালত প্ৰধানমন্ত্ৰী সিঙে আৰ ও কেৰ জনসাধাৰনলৈ এজোপা বোধী বৃক্ষৰ পুলি উপহাৰ হিচাপে আগবঢ়াইছিল ।অতি প্ৰশংসাৰে ৰাষ্ট্ৰপতি পাৰ্কে এই উপহাৰ গ্ৰহন কৰিছিল ।

পৱিত্ৰ বোধী বৃক্ষজোপাৰ পুলিটো ভাৰতৰ পৰা বৈদেশিক পৰিক্ৰমা মন্ত্ৰনালয়ৰ আৰু কোৰিয়াৰ বন বিভাগৰ প্ৰতিনিধি সকলে কোৰিয়ালৈ কঢ়িয়াই নিয়ে । ৭ মাৰ্চ ২০১৪ তাৰিখে প্ৰতিনিধি দলটো আৰ ও কেত উপস্থিত হয় ।

আজি কোৰিয়া নেশ্বনেল আৰবোৰেটামত “বোধী বৃক্ষ উপহাৰ অনুষ্ঠান” অনুষ্ঠিত হয় । বৈদেশিক পৰিক্ৰমা মন্ত্ৰনালয়ৰ সচিব(পূৱ)শ্ৰী অনিল ৱাধোৱাই অনুষ্ঠানত এটা অভিনন্দন বাণী পাঠ কৰে ।এই উপহাৰ অনুষ্ঠানত আৰ ও কেত ভৰতৰ ৰাষ্ট্ৰদূত শ্ৰী বিষ্ণু প্ৰকাশ, কোৰিয়াৰ বন বিভাগৰ মন্ত্ৰী ছিন ৱনচ’প আৰু আৰওকেৰ বিদেশ পৰিক্ৰমা মন্ত্ৰী য়ুন বাইওং–চে উপস্থিত আছিল ।

এই উপহাৰ ভাৰত আৰু কোৰিয়াৰ মাজৰ বন্ধুত্বৰ আৰু দুয়োখন দেশৰ মানুহৰ সৈতে মানুহৰ নিকটতম সম্পৰ্কৰ এক অতি শক্তিশালী প্ৰতীক হৈ ৰব ।

নতুন দিল্লী

মাৰ্চ ১৯,২০১৪

G